অধ্যায় ২ ঃ মুদ্রাৰ চাহিদা ঃ সংস্থাপিক দৃষ্টিভংগী

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ মুদ্রাৰ চাহিদাৰ সংস্থাপিক দৃষ্টিভংগী
২.৩.১ মুদ্রাৰ পৰিমাণ তত্ত্বৰ ফিছাৰীয় দৃষ্টিভংগী
২.৩.২ মুদ্রাৰ পৰিমাণ তত্ত্বৰ কেম্ব্রিজীয় দৃষ্টিভংগী
২.৩.৩ ফিছাৰীয় দৃষ্টিভংগী আৰু কেম্ব্রিজীয় দৃষ্টিভংগীৰ তুলনা
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবৰ বাবে
২.৬ অগ্রগতিৰ খতিয়ান
২.৭ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- মুদ্রাৰ চাহিদাৰ সংস্থাপিক দৃষ্টিভংগীটো বর্ণনা কৰিব পাৰিব
- মুদ্রাৰ পৰিমাণ তত্ত্বৰ ফিছাৰীয় দৃষ্টিভংগীটো আলোচনা কৰিব পাৰিব
- মুদ্রাৰ পৰিমাণ তত্ত্বৰ কেম্ব্রিজীয় দৃষ্টিভংগীটো আলোচনা কৰিব পাৰিব
- নগদ ধন লেনদেন দৃষ্টিভংগী আৰু নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগীৰ মাজৰ প্রভেদ নির্ণয় কৰিব পাৰিব।

২.২ পৰিচয়

'মুদ্রাৰ চাহিদা' বোলা বিষয়টো মুদ্রাৰ প্রকৃতি তথা কার্যসম্পাদনৰ সৈতে জড়িত দুটা বিশেষ প্রকাৰৰ ওপৰত নির্ভৰ কৰি দুটা বিশেষ অর্থত ব্যাখ্যা কৰিব পাৰি। ব্যাখ্যা দুটা হ'ল- (ক) মুদ্রা হ'ল বিনিময়ৰ মাধ্যম আৰু (খ) মুদ্রা হ'ল এক মূল্য সঞ্চয়ৰ ভাণ্ডাৰ বা মুদ্রা হ'ল এক মূল্যৰ ভাণ্ডাৰ (a store of value)। মুদ্রাৰ চাহিদাৰ সৈতে দুটা ভিন্ন ধাৰণা জড়িত হৈ আছে। ধাৰণা দুটা হ'ল- (i) ই বিনিময়ৰ মাধ্যম আৰু (ii) ই এক মূল্য ভাণ্ডাৰ। প্রথমটো হ'ল মুদ্রাৰ চাহিদাৰ সংস্থাপিক দৃষ্টিভংগী আৰু দ্বিতীয়টোক আমি মুদ্রাৰ চাহিদাৰ আধুনিক দৃষ্টিভংগী আখ্যা দিব পাৰোঁ। এই অধ্যায়ত আমি মুদ্রাৰ চাহিদাৰ সৈতে জড়িত দুটা সংস্থাপিক দৃষ্টিভংগী ক্রমে ফিছাৰীয় (Fisherian) আৰু কেম্ব্রিজীয় (Cambridge) দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিম।

ইয়াৰ উপৰি, ফিছাৰীয় আৰু কেম্ব্রিজীয় দৃষ্টিভংগীৰ মাজত থকা সাদৃশ্য তথা

বৈসাদৃশ্যবোৰৰ এক তুলনামূলক আলোচনাও অধ্যায়টোত সন্নিৱিষ্ট কৰা হৈছে। এই আলোচনাই আপোনাক ফিছাৰীয় দৃষ্টিভংগীতকৈ যে কেম্ব্রিজীয় দৃষ্টিভংগী শ্রেয় সেই কথা বুজাত সহায় কৰিব। অধ্যায়টো পঢ়ি উঠি আপুনি মুদ্রাৰ চাহিদাৰ লগতে মুদ্রাৰ পৰিমাণ তত্ত্বৰ সৈতে জড়িত দুটা প্রধান দৃষ্টি ভংগী সম্পর্কে স্পষ্ট ধাৰণাৰ গৰাকী হ'ব পাৰিব।

২.৩ মুদ্রাৰ চাহিদাৰ সংস্থাপিক দৃষ্টিভংগী

সংস্থাপিক অর্থনীবিজ্ঞানীসকলৰ মতে, মুদ্রাৰ চাহিদাৰ কোনো নিজস্ব অর্থ নাই। মুদ্রাৰ চাহিদা উদ্ভূত হয় ইয়াৰ ক্রয় ক্ষমতা থকা বাবে আৰু এই ক্রয় ক্ষমতাৰ দ্বাৰা দ্রব্য আৰু সেৱা ক্রয় কৰিব পাৰি, যিয়ে মানুহৰ অভাৱ পূৰণ কৰিব পাৰে। ইয়াৰ অর্থ হ'ল এয়ে যে অর্থনীতিত মুদ্রাৰ চাহিদাৰ উদ্ভৱ হয় দ্রব্য আৰু সেৱাৰ বিনিময় বা লেন-দেনৰ বাবে। কোনো এটা সময়ত যিমানে দ্রব্য আৰু সেৱাৰ ক্রয় অথবা লেন-দেনৰ পৰিমাণ বেছি হ'ব, সিমানে অর্থনীতিত মুদ্রাৰ চাহিদাও বাঢ়ি যাব। যিকোনো এটা সময়ত মুদ্রাৰ চাহিদা নির্ভৰ কৰে বজাৰত বিনিময় হ'ব লগা দ্রব্য আৰু সেৱাৰ যোগানৰ ওপৰত। যিহেতু বজাৰত বিনিময় হ'ব লগা দ্রব্য আৰু সেৱাবিলাকৰ যোগান স্থিৰ নাথাকে, আৰু ই সময়ে সময়ে পৰিবর্তন হৈ থাকে, সেয়ে মুদ্রাৰ চাহিদাৰো পৰিবর্তন হৈ থাকে। মুদ্রাৰ চাহিদাৰ এই ধাৰণাটো *'লেনদেন অথবা বিনিময়ৰ মাধ্যম হিচাবে মুদ্রাৰ চাহিদা'* — এই বুলিও জনা যায়।

সংস্থাপিক অর্থবিজ্ঞানীসকলৰ মতে, মুদ্রাৰ চাহিদা সম্পূর্ণৰূপে বস্তুনিষ্ঠ উপাদানৰ দ্বাৰা নির্দ্ধাৰিত হয়, যেনে অর্থনীতিত সংঘটিত হোৱা বিনিময় বা লেন-দেনৰ পৰিমাণ আৰু কিছুমান সম্পূর্ণ স্বতন্ত্র বিষয়নিষ্ঠ উপাদানৰ দ্বাৰা।

সংস্থাপিক অর্থবিজ্ঞানী আৱভিং ফিছাৰ্ (Irving Fisher)-অৰ মতে, অর্থনীতিটোত মুদ্রাৰ চাহিদাৰ পৰিমাণ নির্ভৰ কৰে কেৱলমাত্র বিনিময় বা লেন-দেনৰ পৰিমাণৰ ওপৰত। যিহেতু হ্রস্বকালীন সময়ত লেন-দেনৰ পৰিমাণ আপেক্ষিকভাৱে স্থিৰে থাকে, সেয়ে হ্রস্বকালীন সময়ত মুদ্রাৰ চাহিদাও স্থিৰ থাকে। গতিকে, হ্রস্বকালীন সময়ত মুদ্রাৰ মূল্য নির্দ্ধাৰিত হয় বিশেষকৈ মুদ্রাৰ যোগানৰ দ্বাৰাহে; মুদ্রাৰ চাহিদাৰ দ্বাৰা নহয়।

মুদ্রাৰ পৰিমাণ তত্ত্ব ঃ মুদ্রাৰ পৰিমাণ তত্ত্বটো এটা পুৰণি তত্ত্ব। ইয়াৰ আৰম্ভণি হৈছিল ১৬ শতিকাত। ইটালীৰ অর্থবিজ্ঞানী দেভানজাতি (Davanzatti)-এ প্রথমে ইয়াৰ পোষকতা কৰি কৈছিল যে মুদ্রাৰ মূল্য মুদ্রাৰ পৰিমাণৰ সৈতে বিপৰীত দিশত বঢ়া- টুটা কৰে। ইয়াৰ পাছত সংস্থাপিক অর্থবিজ্ঞানী যথা—ডেভিদ ৰিকার্ডো, ডেভিদ হিউম, জে এছ মিল আদিয়ে মুদ্রাৰ মূল্য মুদ্রাৰ পৰিমাণ তত্ত্বৰ আধাৰত ব্যাখ্যা কৰিছিল। এই তত্ত্বৰ ব্যাখ্যা দুই ধৰণে আগবঢ়োৱা হৈছে— মার্কিন দৃষ্টিভংগী আৰু কেম্ব্রিজীয় দৃষ্টিভংগী।

২.৩.১ মুদ্রাৰ পৰিমাণ তত্ত্বৰ ফিছাৰীয় দৃষ্টিভংগী (নগদ লেনদেন পদ্ধতি)

মুদ্রাৰ পৰিমাণ তত্ত্বৰ এই দৃষ্টিভংগীৰে আগবঢ়োৱা ব্যাখ্যাৰ কৃতিত্বৰ দাবীদাৰ হৈছে আমেৰিকান বিখ্যাত অর্থনীতিবিজ্ঞানী আৰভিং ফিছাৰ। ১৯১১ চনত তেওঁৰ প্রকাশিত *'The Purchasing Power of Money'* শীর্ষক কিতাপখনৰ যোগেদি তেওঁ এই তত্ত্বক বিনিময়ৰ সমীকৰণ হিচাবে পৰিমাণবাচক ৰূপত প্রকাশ কৰিছিল। ফিছাৰৰ মতে, মুদ্রাৰ প্রয়োজন হয় ব্যয় কৰাৰ বাবে। মুদ্রাৰ পৰিমাণ তত্ত্বৰ এই ব্যাখ্যা *'মুদ্রা বিনিময়ৰ মাধ্যম'* — কার্যৰ ওপৰত প্রতিষ্ঠিত। ফিছাৰে ব্যক্ত কৰিছিল যে কোনো এটা সময়ত কোনো এখন দেশত মুঠ মুদ্রাৰ পৰিমাণ সেই সময়টোত ক্রয় কৰা মুঠ দ্রব্য আৰু সেৱাৰ পৰিমাণৰ সমান। ইয়াৰ অর্থ এয়ে যে প্রতি একক দ্রব্যৰ মূল্য বা দাম মানে হ'ল— মুঠ মুদ্রাৰ পৰিমাণক মুঠ দ্রব্য আৰু সেৱাৰ পৰিমাণেৰে ভাগ কৰি পোৱা ভাগফল। এটা উদাহৰণৰ সহায়ত এই কথাযাৰ ব্যাখ্যা কৰিব পাৰি।

তালিকা ২.১ ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ ফিছাৰীয় বিশ্লেষণ

মুদ্রাৰ পৰিমাণ	*দ্রব্যৰ মুঠ পৰিমাণ*	*গড় দাম*	*দ্রব্যৰ মুঠ মূল্য*
(১)	*(২)*	*(৩)*	*(৪) =২ × ৩*
১০০	৮	১২.৫০	১০০
১০০	১০	১০.০০	১০০
১০০	১৬	৬.২৫	১০০
১০০	২০	৫.০০	১০০
১০০	২৫	৪.০০	১০০

ওপৰৰ উদাহৰণটোত, মুদ্রাৰ পৰিমাণ (১নং স্তম্ভ) আৰু দ্রব্যৰ মুঠ মূল্য (৪নং স্তম্ভ) সমান। ইয়াকে ফিছাৰে তেওঁৰ সমীকৰণৰ সহায়ত এনেদৰে ব্যাখ্যা কৰিছে —

কোনো এটা সময়ত মুদ্রাৰ মুঠ পৰিমাণ = ক্রয় বিক্রয় হোৱা মুঠ দ্রব্য আৰু সেৱাৰ পৰিমাণ।

উক্ত সমীকৰণটোৰ এটা পক্ষই যোগানৰ দিশ আৰু আনটোৱে মুদ্রাৰ চাহিদা দিশটো দেখুৱাইছে।

বিনিময়ৰ সমীকৰণটো এনেদৰে প্রকাশ কৰা হৈছে ঃ MV=PT

ইয়াত, M এ অর্থনীতিটোত প্রচলিত মুঠ মুদ্রাৰ পৰিমাণক বুজাইছে; Vএ মুদ্রাৰ প্রচলন বেগ বুজাইছে; অর্থাৎ, ই হ'ল মুদ্রাৰ প্রত্যেকটো একক

(Unit)এ প্রতিবাৰতে ক্রয় কৰা সেৱা আৰু সামগ্রীৰ বিনিময়ত খৰছ কৰা মুদ্রাৰ গড় পৰিমাণ। ইয়াক T ৰে বুজোৱা হয়।

আকৌ, MV অথবা M আৰু V ৰ পূৰণফল (ফিছাৰৰ সমীকৰণৰ বাওঁপক্ষ) টোৱে মুদ্রাৰ সামগ্রিক যোগান বুজাইছে। অর্থাৎ, ই কোনো এক প্রদত্ত সময়ত এটা অর্থনীতিত মুদ্রাৰ মুঠ যোগানক বুজাইছে।

PT অথবা P আৰু T ৰ পূৰণফল (ফিছাৰৰ সমীকৰণৰ সোঁপক্ষ) টোৱে কোনো এক প্রদত্ত সময়ত ক্রয় কৰা সকলোবোৰ দ্রব্য আৰু সেৱাৰ মুঠ মূল্য বুজাইছে। অর্থাৎ, ইয়ে মুদ্রাৰ মুঠ চাহিদা সূচাইছে। মুদ্রাৰ এই চাহিদা উদ্ভৱ হৈছে মূলতঃ দ্রব্য আৰু সেৱাৰ লেনদেনৰ বাবেহে, ইয়াৰ নিজৰ বাবে নহয়। গতিকে, কোনো এটা সময়ত মুদ্রাৰ চাহিদা সেই সময়ত বিনিময়হোৱা সকলোবোৰ দ্রব্য আৰু সেৱাৰ মুঠ মূল্যৰ সমান। ফিছাৰে কৈছে যে, কোনো এক সময়ত কোনো এখন দেশত মুদ্রাৰ মুঠ পৰিমাণ (MV) সেই সময়ত ক্রয় বিক্রয় কৰা মুঠ সেৱা আৰু সামগ্রীৰ মূল্য (PT) ৰ সমান।

উপর্যুক্ত বিনিময় (লেনদেন) সমীকৰণটো এনেদৰেও প্রকাশ কৰিব পাৰি

$$P = \frac{MV}{T}$$

ইয়েদেখুৱায়যে, মুদ্রাৰ পৰিমাণেই মূল্যস্তৰ নির্দ্ধাৰণ কৰে। অর্থাৎ, অর্থনীতিটোৰ মূল্যস্তৰ মুদ্রাৰপৰিমাণৰ সৈতে প্রত্যক্ষভাৱে জড়িত; আৰু ইয়াৰ মূল্য মুদ্রাৰ যোগানৰ সৈতে পৰোক্ষ ভাৱে বঢ়া-টুটা কৰে।

কিন্তু আধুনিক অর্থবিজ্ঞানত মুদ্রাৰ পৰিসৰত বেংকৰ চাহিদা জমা অথবা আমানত মুদ্রাও অন্তর্ভুক্ত কৰা হয়। বেংকৰ জমা অথবা আমানত মুদ্রাৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি ফিছাৰে তেওঁৰ বিনিময় সমীকৰণটোত আমানত মুদ্রাকো অন্তর্ভুক্ত কৰিছে। সেই অনুক্রমে তেওঁৰ সমীকৰণটো এনেদৰে লিখিব পাৰি—

$$MV + M^{1}V^{1} = PT, \text{ অথবা } P = \frac{MV + M'V'}{T}$$


ইয়াত M' এ বেংকৰ জমা অথবা আমানত মুদ্রাক বুজাইছে। V' এ আমানত মুদ্রাৰ প্রচলন বেগ বুজাইছে।

সমীকৰণটোৰপৰা দেখা গৈছে যে মূল্যস্তৰ(P) নির্দ্ধাৰিত হয় ঃ (১) অর্থনীতিটোৰ প্রচলনত থকা মুদ্রাৰ পৰিমাণ (M) (২) মুদ্রাৰ প্রচলনবেগ (V) (৩) বেংক মুদ্রা অথবা আমানত মুদ্রা (M') (৪) বেংক বা আমানত মুদ্রাৰ প্রচলন বেগ (V') আৰু (৫) ব্যৱসায়ৰ মুঠ পৰিমাণ (T) ৰ দ্বাৰা।

এই বিনিময় সমীকৰণটোৱে আৰু এটা কথা দেখুৱায় যে মূল্যস্তৰ (P) M, V, M' আৰু V' ৰ সৈতে প্রত্যক্ষভাৱে আৰু T ৰ সৈতে পৰোক্ষভাৱে সম্পর্কিত।

ফিছাৰে মুদ্রাৰ পৰিমাণৰ পৰিবর্তন আৰু ইয়াৰ ফলত হোৱা মূল্যস্তৰৰ পৰিবর্তন— এই দুয়োটাৰে মাজত প্রত্যক্ষ আৰু সমানুপাতিক সম্পর্ক স্থাপন কৰিছিল। ফিছাৰৰ মুদ্রাৰ পৰিমাণ তত্ত্বটো তলৰ ২.১নং চিত্রৰ (ক) আৰু (খ) ৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। 'ক' চিত্রটোৱে মূল্যস্তৰৰ ওপৰত মুদ্রাৰ পৰিমাণৰ পৰিবর্তনৰ প্রভাৱ দেখুৱাইছে।

চিত্র ২.১ ঃ ফিছাৰৰ মুদ্রাৰ পৰিমাণ তত্ত্ব



যেতিয়া মুদ্রাৰ পৰিমাণ M_1, তেতিয়া মূল্যস্তৰ হ'ল P_1। আনহাতে, যেতিয়া মুদ্রাৰ পৰিমাণ M_2লৈ দুগুণ বৃদ্ধি পায়, তেতিয়া মূল্যস্তৰো দুগুণ বাঢ়ি গৈ P_2 হয়গৈ। আকৌ, যেতিয়া মুদ্রাৰ পৰিমাণ চাৰিগুণ (OMৰ তুলনাত) বৃদ্ধি পায় (M_4) মূল্যস্তৰো চাৰিগুণলৈ বৃদ্ধি হৈছে (P_4)। এই সম্পর্কটো 'ক' চিত্রত $P = f(M)$ ৰেখাৰ দ্বাৰা দেখুওৱা হৈছে। যি মূল বিন্দুৰ সৈতে 45^0 কোণত অৱস্থিত। আনহাতে, চিত্র 'খ'ত মুদ্রাৰ পৰিমাণ আৰু মুদ্রাৰ মূল্য— এই দুয়োটাৰে মাজৰ বিপৰীত সম্পর্ক দেখুওৱা হৈছে। ইয়াত মুদ্রাৰ মূল্য উলম্ব অক্ষত দেখুওৱা হৈছে। যেতিয়া

মুদ্রাৰ পৰিমাণ M_1, তেতিয়া মুদ্রাৰ মূল্য হ'ল $^1/_{P_1}$ । কিন্তু, মুদ্রাৰ পৰিমাণ দুগুণলৈ বৃদ্ধি পাই M_2 হওঁতে মুদ্রাৰ মূল্যও আধালৈ কমি $^1/_{P_2}$ হয়। সেই দৰে মুদ্রাৰ পৰিমাণ চাৰিগুণলৈ বৃদ্ধি হৈ M_4 হওতে মুদ্রাৰ মূল্য এক চতুর্থাংশটো কমি $^1/_{P_4}$ হৈছে। মুদ্রাৰ পৰিমাণ আৰু মুদ্রাৰ মূল্য এই দুয়োটাৰ মাজত সম্পর্কটো নিম্নগামী ৰেখা $\frac{1}{P} = f(M)$ ৰ সহায়ত দেখুওৱা হৈছে।

ফিছাৰৰ বিনিময় সমীকৰণৰ অভিধাৰণসমূহ ঃ

- সমীকৰণটোত মূল্যস্তৰ অথবা P এটা নিষ্ক্রিয় মৌল বা উপাদান বুলি অভিধাৰণা কৰা হয়। অর্থাৎ, P অন্যান্য উপাদানবিলাকৰ দ্বাৰাহে প্রভাৱিত হয়, কিন্তু অন্যান্য উপাদানবিলাকক ই প্রভাৱান্বিত কৰিব নোৱাৰে। অর্থাৎ, P কোনো ধৰণৰ কাৰক নহয়; ফলাফলহে।
- সমীকৰণটোত, মুঠ ব্যৱসায়ৰ পৰিমাণ (T) এটা স্বতন্ত্রৰীয়া উপাদান আৰু হ্রস্বকালীন সময়ত ই স্থিৰ হৈয়ে থাকে। এই অভিধাৰণাৰ ভিত্তি এয়ে যে, অর্থনীতিত সম্পদসমূহ পূর্ণ নিয়োজিত হৈ থাকে। বিনিময় সমীকৰণটোৰ অন্যান্য উপাদানবিলাক যথা — M, V, $M^/$ আৰু $V^/$ আদিৰ যিকোনো এটাৰ পৰিবর্তনৰ দ্বাৰাই (T) প্রভাৱান্বিত নহয়; অৱশ্যে অন্যান্য কিছুমান উপাদান যথা— প্রাকৃতিক সম্পদ, বতৰৰ অৱস্থা, জনসংখ্যা, উৎপাদন কৌশল আদিৰ দ্বাৰাইহে প্রভাৱিত হয়।
- সমীকৰণটোত থকা মুদ্রাৰ প্রচলন বেগ (V) এটা স্বতন্ত্রৰীয়া উপাদান আৰু (T) ৰ দৰে ইও হ্রস্বকালীন সময়ত স্থিৰ হৈ থাকে। M বা Pৰ যিকোনো পৰিবর্তনে Vৰ ওপৰত কোনো প্রভাৱ পেলাব নোৱাৰে। ইয়াৰ কাৰণ হ'ল ইয়াত অভিধাৰণা কৰা হয় যে V কিছুমান বাহ্যিক উপাদান যেনে—দেশৰ বাণিজ্যিক তথা ব্যৱসায়িক ৰীতি-নীতি, জনসাধাৰণৰ বেংকৰ জৰিয়তে লেন-দেন কৰাৰ অভ্যাস, ব্যৱসায়িক কাম-কাজ, বিনিয়োগৰ সুবিধা আদিৰ ওপৰত নির্ভৰ কৰে। যিহেতু হ্রস্বকালীন সময়ত এই উপাদানবিলাকৰ পৰিবর্তন নহয়, সেয়ে হ্রস্বকালীন সময়ত V কম বেছি পৰিমাণে স্থিৰ হৈয়ে থাকে।
- বিনিময় সমীকৰণৰ আন এটা অভিধাৰণা হ'ল যে বিহিত মুদ্রাৰ লগত আমানত মুদ্রাৰ অনুপাত স্থিৰ থাকে। ফিছাৰে কৈছে, *'যিকোনো শিল্প উদ্যোগ আৰু সভ্যতাৰ পৰিস্থিতিতে অর্থনীতিটোত প্রচলিত মুদ্রাৰ সৈতে জমাৰ পৰিমাণটোৰে স্বাভাৰিক স্থিৰ অনুপাতত থাকে। সেয়ে সমীকৰণটোত অন্তর্ভুক্ত হোৱা* M' *এ সাধাৰণতে মুদ্রা আৰু দৰৰ মাজৰ পৰিমাণবাচক সম্পর্কত কোনো বিঘিনি নঘটায়।'*

মুদ্রাৰ পৰিমাণ তত্ত্বৰ সমালোচনামূলক মূল্যায়ন ঃ ফিছাৰৰ মুদ্রাৰ পৰিমাণ তত্ত্বটি তলত দিয়া ধৰণে সমালোচনা কৰা হৈছে—

- মুদ্রাৰ পৰিমাণ তত্ত্ব কিছুমান অবাস্তৱ অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। V, V/ আৰু T আদি উপাদানবিলাক স্থিৰে থাকে বুলি ধাৰণা কৰি লোৱা কথাষাৰ শুদ্ধ নহয়। অন্যান্য কিছুমান উপাদান বা মৌল আছে, যিবিলাকে দামৰ পৰিবৰ্তন আনিব পাৰে; উদাহৰণ স্বৰূপে, মুঠ আয়ৰ পৰিবৰ্তনৰ কথাকে ক'ব পাৰি। মূল্য পৰিবৰ্তনৰ প্ৰকৃত কাৰণ হ'ল ব্যক্তিগত আয়। মন্দাৱস্থাৰ সময়ত এয়া সম্ভৱ যে, মুদ্রাৰ যোগান যথেষ্ট পৰিমাণে থকা সত্বেও, আয় কম হ'ব পাৰে আৰু ফলস্বৰূপে, দামো কমিব পাৰে।
- ফিছাৰে কোৱাৰ দৰে M, V আৰু T এই তিনিটা উপাদান বা চলক স্বতন্ত্ৰবীয়া নহয়। সিহঁত কেইটা পৰস্পৰ নিৰ্ভৰশীল; উদাহৰণ স্বৰূপে, Mৰ পৰিবৰ্তন হ'লে Vৰো পৰিবৰ্তন হয় আৰু ফলত Mৰ পৰিবৰ্তনৰ অসমানুপাতিকভাৱে Pৰ পৰিবৰ্তন হয়। যেতিয়া কোনো এখন দেশৰ মুদ্রাৰ অৱমূল্যায়ন (depreciation of the currency) কৰা হয়, তেতিয়া মানুহে ইয়াক তেওঁলোকৰ হাতত ৰাখিব নোখোজে। ফলত, ইয়াৰ প্ৰচলন বৃদ্ধি পায় আৰু দাম বাঢ়ে। একেদৰে, M ৰ পৰিবৰ্তন হ'লে T ৰ পৰিবৰ্তন হয় আৰু P ৰ পৰিবৰ্তন হ'লে M ৰ পৰিবৰ্তন হয়। মুদ্রাৰ যোগান বৃদ্ধি হ'লে দামো (P) বৃদ্ধি পায় আৰু ই লাভ বৃদ্ধি হোৱাত সহায় কৰে। আৰু ইয়ে উৎপাদন (T) বৃদ্ধিৰ বাবেও অনুপ্ৰেৰণা যোগায়।
- ফিছাৰৰ সমীকৰণটো পূৰ্ণনিয়োগৰ অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে, এই ক্ষেত্ৰত T ৰ পৰিমাণ অপৰিবৰ্ত্তনীয়। কিন্তু ইয়াৰ বিপৰীতে, অৰ্থনীতিটোত যদি অনিয়োজিত (unemployed) উৎপাদনৰ উপাদান থাকে, তেতিয়া মুঠ ব্যয়ৰ পৰিমাণ বৃদ্ধিৰ ফলত মুঠ উৎপাদনো বৃদ্ধি হ'ব পাৰে। আৰু তেনে ক্ষেত্ৰত, উৎপাদন বৃদ্ধিৰ সমানুপাতত দৰ নাবাঢ়িবও পাৰে। সমালোচকসকলে আঙুলিয়াই দিছে যে, পূৰ্ণনিয়োজিত অৱস্থাটো অৰ্থনীতিত বেছি পৰলৈ বৰ্ত্তি নাথাকে। আন বহুতো কাৰণৰ বাবেও সেৱা আৰু সামগ্ৰীৰ দাম (P) ৰ পৰিবৰ্ত্তন মুদ্রাৰ পৰিমাণ (M) ৰ পৰিবৰ্ত্তনৰ তুলনাত বেছি হ'ব পাৰে ।
- এই তত্ত্বৰ এটা ডাঙৰ ত্ৰুটী হ'ল— ই মুদ্রাৰ মূল্য দীৰ্ঘকালীন সময়তহে আলোচনা কৰে। তত্ত্বটোৱে হ্ৰস্বকালীন সময়ত মুদ্রাৰ মূল্য কি হ'ব, সেই কথাৰ ব্যাখ্যা নকৰে। যথাৰ্থতে, হ্ৰস্বকালীন সময়ত মুদ্রাৰ মূল্যৰ বহুতো গুৰুত্বপূৰ্ণ আৰু সুদূৰপ্ৰসাৰী পৰিবৰ্তন সংঘটিত হ'ব পাৰে। কেইন্‌ছে সঠিক কথাকেই কৈছে যে দীৰ্ঘকালীন সময়ত ইয়াৰ ব্যাখ্যাৰ কোনো মূল্য নাই; আচলতে দীৰ্ঘকালীন সময়ত আমি কোনোৱেই নাথাকোঁগে।

- মুদ্রাৰ পৰিমাণ তত্ত্বটোৱে মুদ্রাৰ যোগানৰ পৰিবর্তনে মূল্যস্তৰত কেনে প্রভাৱ পেলায় সেই কথাৰ প্রকৃত ব্যাখ্যা দাঙি নধৰে। ই কেৱল Mৰ বৃদ্ধি হ'লে মূল্যস্তৰ বৃদ্ধি পায়— এই সিদ্ধান্তটোৰ শেষৰটো পর্যায়ৰ বিষয়েহে অবগত কৰে। অর্থাৎ ই মুদ্রাৰ পৰিমাণ বৃদ্ধি হ'লে মূল্যস্তৰ কেনেকৈ বৃদ্ধি হয়, সেই প্রক্রিয়াটো পর্যায়ক্রমে আলোচনা নকৰে। অধ্যাপক হট্রে (Hawtrey)-ৰ মতে মুদ্রাৰ পৰিমাণৰ পৰিবর্তনে প্রত্যক্ষভাৱে মূল্যস্তৰত প্রভাৱ বিস্তাৰ নকৰে। Mৰ পৰিবর্ত্তনে প্রথমে সুদৰ হাৰত প্রভাৱ পেলায় আৰু অৱশেষত মূল্যস্তৰতো প্রভাৱ পেলায়গৈ। ফিছাৰৰ সমীকৰণৰ প্রধান ত্রুটী হ'ল যে ই কেৱল মূল্যস্তৰৰ পৰিবর্তনৰ কথাটো উল্লেখ কৰিছে; কিন্তু সমগ্র বিষয়টোৰ কাৰণবোৰ ব্যাখ্যা কৰা নাই।
- মুদ্রাৰ পৰিমাণ তত্ত্বটো একপক্ষীয় আৰু অসম্পূর্ণ— এই অর্থত যে ই কেৱল মুদ্রাৰ যোগানৰ দিশটোহে প্রধান উপাদান হিচাবে বিবেচনা কৰিছে আৰু মুদ্রাৰ চাহিদাৰ দিশটো স্থিৰে থাকে বুলি কৈছে। গতিকে, ই মুদ্রাৰ চাহিদাৰ দিশটো আওকাণ কৰিছে; কিন্তু এই দিশটোৱেও মুদ্রাৰ মূল্যৰ পৰিবর্তনৰ কাৰণ হ'ব পাৰে। ফিছাৰৰ সমীকৰণটোৱে *'মুদ্রা বিনিময়ৰ মাধ্যম'* — এই কার্যৰ ওপৰতহে গুৰুত্ব দিছে; কিন্তু মুদ্রাৰ এটা অন্যতম গুৰুত্বপূর্ণ কার্য যথা— *'ই সঞ্চিত মূল্যৰ ভড়াল'*— এই কার্যক সম্পূর্ণৰূপে আওকাণ কৰিছে। মুদ্রাৰ চাহিদা উৎপন্ন হয় বিনিময়ৰ মাধ্যম হিচাবেহে; নিজৰ বাবে নহয়। এই দৃষ্টিভঙ্গীক কেম্ব্রিজ্ অর্থবিজ্ঞানীসকলে সমালোচনা কৰিছে; তেওঁলোকৰ ভিতৰত কেইন্‌ছে আঙুলিয়াই দিছে যে মুদ্রা এটা পৰিসম্পত্তি আৰু সেয়ে মানুহে ইয়াক তৰল হিচাপত নিজৰ হাতত ৰাখিবলৈ বিচাৰে; অর্থাৎ ইয়াৰ চাহিদা উদ্ভৱ হয় '*সঞ্চিত মূল্যৰ ভড়াল'* হিচাবেহে।

সামৰণি ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ উপর্যুক্ত ত্রুটীসমূহৰ পৰা দেখা গৈছে যে মুদ্রাৰ পৰিমাণ তত্ত্ব কাল্পনিক, ত্রুটীপূর্ণ আৰু কেইন্‌ছে কোৱাৰ দৰে অসম্পূর্ণ। এই তত্ত্বই মুদ্রাৰ সঠিক ক্রয় ক্ষমতাৰ নির্ণয় কৰাৰ ফলপ্রসূ ব্যাখ্যা আগবঢ়াব পৰা নাই। তত্ত্বটোৱে কোনো ধৰণৰ গাণিতিক বিশুদ্ধতাও প্রমাণ কৰিব পৰা নাই, যাৰ জৰিয়তে মুদ্রাৰ পৰিমাণ আৰু মূল্যস্তৰৰ মাজত প্রত্যক্ষ আৰু সমানুপাতিক সম্পর্ক স্থাপন কৰিব পাৰি। আকৌ, ই মুদ্রাৰ যোগানৰ পৰিবর্তনৰ ফলত সংঘটিত মূল্যস্তৰৰ পৰিবর্তনৰ প্রক্রিয়াটোও সঠিক ব্যাখ্যা কৰিব পৰা নাই। সেয়ে এই তত্ত্বটোৰ স্থান মৌদ্রিক অর্থবিজ্ঞানৰ পৰিসৰতে সীমিত। ই অর্থনৈতিক বিশ্লেষণ আৰু নীতিৰ প্রস্তুতকৰণৰ বাবে নির্ভৰযোগ্য আৰু প্রয়োজনীয় আহিলা নহয়।

সেয়ে হ'লেও এই তত্ত্বটোত সত্য উৎঘাটনমূলক পদ্ধতি হিচাপে মূল্য নথকা নহয়। যদিও তত্ত্বটোৰ গাণিতিক বিশুদ্ধতা নাই, তথাপি ই এটা প্রৰণতাৰ

কথা প্রকাশ কৰে। ই আমাক অর্থনীতি এটাত দ্রব্য আৰু সেৱাৰ মূল্যৰ পৰিবর্তনৰ কাৰণ বিলাকৰ বিষয়ে তথ্যৰ যোগান ধৰে। এটা কথা সত্য যে মূল্যস্তৰৰ বেছিভাগ কাৰণেই সংঘটিত হয় মুদ্রাৰ পৰিমাণৰ পৰিবর্তনৰ বাবে। মুদ্রাৰ পৰিমাণ তত্ত্বই অর্থনীতিত মুদ্রাৰ যোগানৰ পৰিবর্তনৰ বাবে যথেষ্ট সম্বল দাঙি ধৰে। তত্ত্বটোৱে সাধাৰণ মূল্যস্তৰ নিয়ন্ত্রণ কৰাত যথেষ্ট কার্যকৰী হয়। যদি মূল্যস্তৰ বাঢ়ি যায়, তেন্তে ইয়াক হ্রাস কৰিবলৈ হ'লে মুদ্রাৰ যোগানেই কমাব লগা হয়। অন্যহাতে, যদি অর্থনীতিত সাধাৰণ মূল্যস্তৰ হ্রাস পায়, তেন্তে ইয়াক উর্দ্ধমুখী কৰিবলৈ হ'লে এই তত্ত্ব অনুসৰি মুদ্রাৰ যোগান বৃদ্ধি কৰিব লাগে। গতিকে অর্থনীতিত মূল্যস্তৰ সুস্থিৰ ৰখাৰ ক্ষেত্রত এই তত্ত্বটোৱে যথেষ্ঠ সহায় কৰে। এই তত্ত্বটোৱে বর্তমান কালৰ আধুনিক বেংক ব্যৱস্থাৰ কৌশলসমূহ যেনে মুকলি বজাৰৰ কিনা-বেচা, বেংক হাৰ আদি কার্যকৰী কৰাত যথেষ্ঠ সহায় কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ সংস্থাপিক অর্থবিজ্ঞানীসকলৰ মতে মুদ্রাৰ চাহিদা কিয় উদ্ভৱ হয়? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ২ ঃ এটা অর্থনীতিত মূল্যস্তৰ নির্দ্ধাৰণ কৰাত নগদ লেনদেন পদ্ধতিটো ব্যাখ্যা কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৩ ঃ ফিছাৰৰ বিনিময় সমীকৰণটোৰ দুটা গুৰুত্বপূর্ণ অভিধাৰণা উল্লেখ কৰক ? ৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৪ ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ দুটা গুৰুত্বপূর্ণ সমালোচনা উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

২.৩.২ মুদ্রাৰ পৰিমাণ তত্ত্বৰ কেম্ব্রিজীয় দৃষ্টিভংগী (নগদ মুদ্রা হাতত ৰখা পদ্ধতি) ঃ

মুদ্রাৰ পৰিমাণ তত্ত্বৰ লেনদেন পদ্ধতিয়ে জনপ্রিয়তা পাইছিল আমেৰিকা যুক্তৰাষ্ট্রত, বিশেষকৈ আৰভিং ফিছাৰৰ (Irving Fisher) প্রচেষ্টাত আৰু প্রথম বিশ্ব যুদ্ধৰ আগতে। কিন্তু গ্রেট বৃটেইনত পৰিমাণ তত্ত্বৰ এটা পৃথক পদ্ধতিৰ উদ্ভৱ হৈছিল, কেম্ব্রিজ বিশ্ববিদ্যালয়ৰ এদল অর্থবিজ্ঞানী যথা— মার্ছাল (Marshall), পিগু (Pigou), ৰবার্টছন (Robertson) আৰু জে এম কেইনছৰ (J.M. Keynes) ৰ প্রচেষ্টাত। এই পদ্ধতিটোক নগদ মুদ্রা হাতত ৰখা পদ্ধতি (Cash Balance Approach) বুলি জনা যায় আৰু ই '*মুদ্রা সঞ্চিত মূল্যৰ ভড়াল*'—এই কার্যৰ ওপৰত ভিত্তি কৰি প্রতিষ্ঠিত।

নগদ মুদ্রা হাতত ৰখা পদ্ধতিমতে মূল্যস্তৰ আৰু মুদ্রাৰ মূল্য নির্দ্ধাৰণ ঃ এই তত্ত্বটো মুদ্রাৰ নগদ লেনদেন সংস্কৰণটোতকৈ কিছু উন্নত; কাৰণ, ই ৰাষ্ট্রীয় আয় পদ্ধতিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে আৰু তাৰল্যতাৰ ধাৰণাটোও অন্তর্ভুক্ত কৰিছে। মুদ্রাৰ পৰিমাণ তত্ত্বৰ নগদ হাতে জমা ৰখা পদ্ধতিত মুদ্রাৰ মূল্য অথবা মূল্যস্তৰ নির্ভৰ কৰে মুদ্রাৰ চাহিদা আৰু যোগানৰ ওপৰত। এই পদ্ধতিত মুদ্রাৰ চাহিদা আৰু যোগান— এই দুয়োটা সংঘটিত হয় কোনো এটা নির্দিষ্ট সময়ত; লেনদেন পদ্ধতিত উল্লেখ কৰাৰ দৰে দীঘলীয়া সময় এছোৱাত নহয়। এই পদ্ধতিত মুদ্রাৰ যোগান বুলিলে সকলোবোৰ নগদ টকা আৰু বেংক মুদ্রাক বুজায়, যিবিলাক ধনাদেশ (cheque) ৰ সহায়ত উলিয়াই আনিব পাৰি; অর্থাৎ তৰল অৱস্থাত ৰাখিব পাৰি। অর্থনীতিত মুদ্রাৰ সামগ্রিক চাহিদা (অথবা হাতত ৰখা মুদ্রাৰ পৰিমাণ)ৰ বিপৰীতে ইয়াৰ যোগানে মূল্যস্তৰ অথবা মুদ্রাৰ মূল্য নির্দ্ধাৰণ কৰে। মুদ্রাৰ চাহিদা বৃদ্ধি পালে দ্রব্য আৰু সেৱাৰ চাহিদা কমি যায়। ইয়াৰ কাৰণ হ'ল, তেতিয়া মানুহে দ্রব্য আৰু সেৱাৰ ওপৰত কৰা ব্যয় কর্তন কৰি অধিক পৰিমাণৰ মুদ্রা হাতত

ৰাখিবলৈ বিচাৰে। ইয়াৰ ফলত মূল্যস্তৰ হ্রাস পায়; কিন্তু মুদ্রাৰ মূল্য বাঢ়ি যায়। আনহাতে, হাতত ৰখা মুদ্রাৰ চাহিদাৰ পৰিমাণ হ্রাস পালে ইয়াৰ বিপৰীত পৰিঘটনাটো ঘটে। অর্থাৎ, মুদ্রাৰ চাহিদা হ্রাস পালে (হাতত ৰখাৰ বাবে) জনসাধাৰণে অধিক দ্রব্য আৰু সেৱা ক্রয় কৰিব বিচাৰে। ইয়াৰ ফলত মূল্যস্তৰ বাঢ়ি যাব আৰু মুদ্রাৰ মূল্য কমি যাব।

সাধাৰণতে, কোনো এটা সময়ত জনসাধাৰণে এটা প্রদত্ত পৰিমাণৰ দ্রব্য আৰু সেৱা ক্রয় কৰাৰ বাবে এটা নির্দিষ্ট পৰিমাণৰ নগদ টকা হাতত ৰাখে। এই পৰিমাণটো তেওঁলোকৰ সমগ্র আয়ৰ পৰিমাণ নহয়; ৰৱঞ্চ ইয়াৰ এটা অংশহে। সর্বমুঠ আয় কোনো এটা সময়ত উৎপাদিত আৰু উপলব্ধ মুঠ দ্রব্য আৰু সেৱাৰ হিচাপত প্রকাশ কৰা হয়। কিন্তু আয়ৰ সমগ্র পৰিমাণটো যিকোনো এটা সময়ত উপভোগ কৰা নাযায়। যদি দ্রব্য আৰু সেৱাৰ হিচাপত মুঠ জাতীয় আয় (প্রকৃত আয়)ক Rৰে সূচিত কৰা হয়, আৰু যিকোনো এটা সময়ত দ্রব্য আৰু সেৱা ক্রয় কৰাৰ বাবে প্রয়োজনীয় অর্থৰ পৰিমাণক Kৰে সূচিত কৰা হয়, তেন্তে KR হ'ব মুদ্রাৰ মুঠ মূল্য (M)ৰ সমান। আকৌ যদি P সেই দ্রব্য আৰু সেৱাখিনিৰ গড় মূল্য হয়, তেন্তে সমীকৰণটো হ'ব KRP = M অথবা $P = \frac{M}{KR}$

এই সমীকৰণটোও ফিছাৰৰ সমীকৰণটোৰ দৰেই। কিন্তু এই সমীকৰণটোত দ্রব্যৰ মুঠ পৰিমাণৰ (T) সলনি কেৱল চূড়ান্ত উপভোগ্য দ্রব্যবিলাককহে অন্তর্ভুক্ত কৰা হয়, যিবিলাক সেই সময়ত ক্রয় কৰা হয়।

মার্শ্বলিৰ সমীকৰণ (Marshall's Equation) ঃ

আলফ্রেড মার্শ্বালে তলত উল্লেখ কৰা প্রতীকি ৰূপত তেওঁৰ নগদ ধনৰ ভাৰসাম্য সমীকৰণ (Cash balance equation) টো দাঙি ধৰিছিলঃ

M=KPY

ইয়াত,

K= মানুহে নগদ ধন ৰূপে জমা ৰাখিব খোজা প্রকৃত উপার্জনৰ অনুপাত

M= মুদ্রাৰ পৰিমাণ (প্রচলিত মুদ্রা /currency আৰু চাহিদা জমা/demand deposits)

P= মূল্য স্তৰ (Price Level)

Y = মুঠ প্রকৃত উপার্জন (Aggregate real income)

সমীকৰণটোৰ পৰা গম পোৱা যায় যে মুদ্রাৰ মূল্য নির্ধাৰণ কৰিবলৈ মানুহে সর্বমুঠ উপার্জনৰ পৰা নিজৰ হাতত ৰাখিব খোজা সামগ্রীৰ সর্বমুঠ পৰিমাণক মানুহে হাতত ৰখা নগদ ধন (Cash held by the public) ৰ পৰিমাণেৰে হৰণ কৰিব লাগে। অর্থাৎ,

1/P= KY/M

একেদৰে, মূল্য স্তৰ নির্ধাৰণ কৰিবলৈ সম্প্রদায় এটাই হাতত ৰাখিব খোজা সামগ্রীৰ পৰিমাণেৰে মুদ্রাৰ যোগানক হৰণ কৰিব লাগে। অর্থাৎ, P= M/KY

এটা উদাহৰণ লোৱা হ'ল। যদি M= ১০০ টকা, Y= কোনো সামগ্রীৰ ২০০০ টা একক, K=১/২,

তেন্তে মুদ্রাৰ মূল্য হ'ব $1/P= \frac{KY}{M}$

= সামগ্রীৰ ১০০০/১০০= সামগ্রীৰ ১০ টা একক/ টকা

এতেকে, মূল্য হ'ব P= M/KY =১০০/১০০০=১/১০ প্রতি একক

পিগ'ৰ সমীকৰণ (Pigou's Equation) ঃ

অধ্যাপক পিগ'ই নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগীটো বুজাবলৈ এটা নতুন সমীকৰণ আগবঢ়াইছিল। সমীকৰণটো হ'ল ঃ $P = \frac{KR}{M}$

এই সমীকৰণত P হ'ল ক্রয় ক্ষমতা (Purchasing power) অথবা মুদ্রাৰ মূল্য (value of money)। অর্থাৎ, ইয়াত পূর্বৰ সমীকৰণৰ ল 'ব আৰু হৰ (numerator and denominator)ৰ স্থান সলনা- সলনি হ'ব।

R মানে হ'ল কোনো এছোৱা প্রদত্ত সময়ত সম্প্রদায় এটাই উপভোগ কৰা কোনো এবিধ নির্দিষ্ট পণ্যদ্রব্য ৰূপে প্রকাশিত মুঠ প্রকৃত উপার্জন। K হ'ল R ৰ অনুপাত (মুঠ প্রকৃত উপার্জন) উপস্থাপনকাৰী। এই অনুপাত হ'ল নগদ ধনৰ সমতা ৰূপে মানুহে (Public) হাতত ৰখা মুদ্রাৰ পৰিমাণ।

M হ'ল সম্প্রদায় এটাই হাতত ৰখা সর্বমুঠ মুদ্রা ভাণ্ডাৰ (Total money stock) অথবা সর্বমুঠ নগদ ধন (Total cash)। সম্প্রদায় এটাই মুদ্রা কেৱল নগদ ধন হিচাপে জমা নাৰাখে চেকৰ সহায়ত উঠাই আনিব পৰা বেংক সঞ্চয় হিচাপেও মুদ্রা জমা ৰাখে। বেংক সঞ্চয়ক মুদ্রাত অন্তর্ভুক্ত কৰিবলৈ পিগ'ই তেওঁৰ সমীকৰণটো পুনৰ সংশোধন কৰিছে। সংশোধিত সমীকৰণটো তলত দিয়া হ'ল ঃ

$$P = \frac{KR}{M}\{C + h(1-c)\}$$

এই সমীকৰণত C হ'ল জনসাধাৰণে বিহিত মুদ্রা (legal tender) ৰ ৰূপত ৰখা মুদ্রাৰ অনুপাত। h হ'ল বেংকৰ দ্বাৰা জমা ৰাখি থোৱা নগদ ধনৰ অংশ। $(1-c)$ হ'ল জনসাধাৰণে বেংক সঞ্চয়ৰ ৰূপত জমা কৰা সর্বমুঠ মুদ্রাৰ অনুপাত।

ওপৰৰ সমীকৰণটোত P (মুদ্রাৰ ক্রয় ক্ষমতা অথবা মুদ্রাৰ মূল্য) এ K আৰু R ৰ সৈতে প্রত্যক্ষভাৱে (directly) আৰু M ৰ সৈতে পৰোক্ষভাৱে (inversly) বঢ়া-টুটা কৰে। অর্থাৎ, ইয়াৰ পৰা গম পোৱা গ'ল যে মূল্য স্তৰ K আৰু R ৰ সৈতে প্রত্যক্ষভাৱে আৰু M ৰ সৈতে পৰোক্ষভাৱে জড়িত।

এই সমীকৰণটোত মুদ্রাৰ ক্রয় ক্ষমতা নাইবা মুদ্রাৰ মূল্যত হোৱা পৰিৱর্তন ব্যাখ্যা কৰাত M তকৈ K ৰ গুৰুত্ব অধিক। ইয়াৰ অর্থ হ'ল মুদ্রাৰ মূল্য মানুহে হাতত জমা ৰাখিব খোজা মুদ্রা চাহিদাৰ ওপৰত নির্ভৰশীল।

ৰ'বার্টচনৰ সমীকৰণ (Robertson's Equation) ঃ

ৰ'বার্টচনৰ নগদ ধনৰ সমতাৰ সমীকৰণটো তলত দিয়া প্রতীকি উপস্থাপেনেৰ বুজোৱা হয়ঃ

$M = KP T$

ইয়াত, M = মুদ্রা যোগান

P = মূল্য স্তৰ

T = এটা বছৰত কিনিবলগীয়া সামগ্রী আৰু সেৱাৰ সর্বমুঠ পৰিমাণ

K = মানুহে নগদ ধনৰ ৰূপত লগত ৰাখিব খোজা T ৰ অনুপাত

এই সমীকৰণটোৱে স্পষ্টকৈ দেখুৱাইছে যে M ৰ সৈতে P প্রত্যক্ষভাৱে আৰু K তথা Tৰ সৈতে পৰোক্ষভাৱে জড়িত হয়। ৰ'বার্টচনৰ সমীকৰণটোক সহজেই ফিশ্বাৰৰ সমীকৰণটোৰ সৈতে তুলনা কৰিব পাৰি।

কেইন্সৰ সমীকৰণ (Keynes' Equation) ঃ

কেইন্সৰ মতে পণ্য সামগ্রী (Consumer goods) ৰ সৈতেহে মুদ্রাৰ চাহিদা সৃষ্টি হয়। তেওঁৰ সমীকৰণটো তলত দিয়া ধৰণে প্রকাশ কৰা হয়।

$N=PK$

ইয়াত, N= মানুহে জমা ৰখা নগদ ধনৰ ভাৰসাম্য

P= পণ্য সামগ্রীৰ মূল্য স্তৰ

K= যি পণ্য সামগ্রীৰ নামত নগদ ধন জমা ৰখা হয় তেনে সামগ্রীৰ অনুপাত

ধৰি লোৱা হ'ল K এটা ধ্রুৱক। তেন্তে N আৰু P ৰ মাজত এটা পোনপটীয়া আৰু আনুপাতিক সম্বন্ধ থাকে। P ক তলত দিয়া ধৰণে বুজোৱা হয়ঃ

$P =N/K$

বেংক সঞ্চয়ৰ ধাৰণাটো সন্নিবিষ্ট কৰিবলৈ কেইন্সে তেওঁৰ সমীকৰণটো তলত দিয়া ধৰণে প্রকাশ কৰিছে ঃ

$P =N/K + RK^{/}$

ইয়াত, R= বেংকৰ নগদ ধন সংৰক্ষিত ৰখাৰ অনুপাত

K^1= বেংক মুদ্রাৰ ৰূপত জমা ৰখা প্রকৃত সঞ্চয়।

যদি K,K^1 আৰু R ক ধ্রুৱক বুলি ধৰা হয়, তেন্তে আমি দেখিম যে N আৰু P ৰ মাজত এক প্রত্যক্ষ তথা আনুপাতিক সম্পর্ক আছে।

তত্ত্বটোৰ সমালোচনামূলক মূল্যায়ন ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ কেম্ব্রিজীয় দৃষ্টিভংগীটোক তলত

দিয়া ধৰণে সমালোচনা কৰা হয় ঃ

- ফিছাৰৰ নগদ বিনিময়ৰ সমীকৰণটোৰ দৰে কেম্ব্রিজীয় সমীকৰণ M= KPY টোত অন্য সকলো উপাদান ধ্ৰুৱক হৈ থাকিব বুলি ধৰি লৈ মূল্য স্তৰ আৰু মুদ্রাৰ পৰিমাণৰ মাজত এক প্রত্যক্ষ আৰু আনুপাতিক সম্পর্ক স্থাপন কৰে। সেয়েহে এই সমীকৰণটোও স্বতঃ সিদ্ধবাদ (truism)ৰ বাহিৰে আন একো নহয়।
- কেম্ব্রিজীয় দৃষ্টিভংগীত মুদ্রাৰ চাহিদা সমৰূপ একক স্থিতিস্থাপকতা (Uniform unitary elasticity) নির্ভৰশীল। ইয়াৰ বাহিৰে মুদ্রাৰ ভাণ্ডাৰ (Stock of money) আৰু সামগ্রী তথা সেৱাৰ সমষ্টি (volume of goods and services) ক স্থিৰ / ধ্ৰুৱক বুলি ধৰা হয়। এই কথাটোৱে দৃষ্টিভংগীটোক স্থৈতিক (static) ৰূপ প্রদান কৰিছে।
- যদিও কল্পনাপ্রসূত অভিপ্রায়ে মুদ্রাৰ চাহিদাত তুমুল পৰিৱর্তন সাধন কৰে তথাপিও কেম্ব্রিজীয় অর্থনীতিবিদসকলে মুদ্রাৰ কল্পনাপ্রসূত চাহিদাক আওকাণ কৰিছে। কিন্তু এই চাহিদাই মানুহে মুদ্রা হাতত ৰাখিব খোজাৰ প্রৱণতাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- পিগ' আৰু কেইনচে তেওঁলোকৰ সমীকৰণত বিনিয়োগ সামগ্রী (investment goods) ক সম্পূর্ণ আওকাণ কৰি ব্যৱহার্য সামগ্রী (consumption goods) ত অত্যাধিক গুৰুত্ব আৰোপ কৰিছে। ই মুদ্রাৰ ক্রয় ক্ষমতাক অতি সংকীর্ণ ৰূপ এটা প্রদান কৰিছে।
- সুতৰ হাৰ (rate of interest) এ কেৱল মুদ্রাৰ চাহিদাকে নহয় মূল্য স্তৰকো প্রভাৱিত কৰে। কিন্তু কেম্ব্রিজীয় অর্থনীতিবিদ সকলে এই পৰিঘটনাটোক সম্পূর্ণ অগ্রাহ্য কৰিছে।
- মুদ্রাৰ নিৰপেক্ষতা আৰু মুদ্রা বজাৰ তথা পণ্য সামগ্রীৰ বজাৰৰ মাজত এক দ্বিভাজন থকা বুলি ধৰি লৈ কেম্ব্রিজীয় অর্থনীতিবিদসকলে প্রকৃত ভাৰসাম্য প্রভাৱ (real balance effect) ক আওকাণ কৰিছে।
- Kৰ একমাত্র নির্ণায়ক হিচাপে কেৱল প্রকৃত উপার্জনত মাত্রাধিক গুৰুত্ব আৰোপ কৰি এই সমীকৰণ দুটাই মানুহৰ বেংকৰ তথা ব্যৱসায় অভ্যাস আদিৰ দৰে আন কাৰকবোৰৰ গুৰুত্বক আওকাণ কৰিছে। কিন্তু এই কাৰকবোৰেও K ৰ মূল্যক প্রভাৱিত কৰিব পাৰে।
- এই দৃষ্টিভংগী অনুসৰি K ৰ দ্বাৰা মুদ্রা মূল্য নির্ধাৰণ কৰা হয়। কিন্তু সমালোচকসকলে আঙুলিয়াই দেখুৱাইছে যে K এ কেৱল মুদ্রাৰ মূল্য নির্ধাৰণেই নকৰে, ই নিজেও মুদ্রাৰ মূল্যৰ দ্বাৰা প্রভাৱিত হয়।

সামৰণি ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ কেম্ব্রিজীয় সংস্কৰণটোক বিভিন্ন কাৰণত সমালোচনা কৰা হৈছে যদিও আন বহুতো কাৰণত ই ফিছাৰীয় সংস্কৰণটোতকৈ উন্নত। কেম্ব্রিজীয় সংস্কাৰণটোক অধিক বাস্তৱমুখী বুলি গণ্য কৰা হয়। কাৰণ, ই K ৰ ক্ষেত্রত মানৱ অভিপ্রায় (human motive) ৰ ওপৰত জোৰ দিয়ে। সেয়েহে এই দৃষ্টিভংগীত মুদ্রাৰ চাহিদা তথা মুদ্রাৰ যোগান দুয়োটাকে প্রাপ্য গুৰুত্ব দিয়া হৈছে । মূল্য স্তৰ নির্ধাৰণ কৰোঁতে উপার্জনৰ স্তৰ আৰু এই স্তৰত হোৱা পৰিৱর্তন -

দুয়োটা দিশৰ বিশ্লেষণকে সামৰি লোৱা হয়। মুদ্রাৰ পৰিমাণ তত্ত্বৰ কেম্ব্রিজীয় সংস্কাৰণটোৱে এই কথা প্রতিপন্ন কৰে যে যদি K সলনি হয় তেন্তে মুদ্রাৰ যোগান সলনি নোহোৱাকৈ মূল্য স্তৰ সলনি হ'ব পাৰে। 'বাণিজ্যিক চক্র' (Trade cycle)ৰ পৰিঘটনাটো কেম্ব্রিজীয় সংস্কাৰণে সফলতাৰে ব্যাখ্যা কৰিব পাৰে। কাৰণ এই সংস্কাৰণত K চলকৰ উপস্থিতি আছে। এই সংস্কাৰণত ব্যৱহৃত আটাইবোৰ চলকৰে বাস্তৱমুখী আৰু সন্তোষজনক উপায়েৰে সংজ্ঞা আগবঢ়াব পৰা যায়। কেৱল এয়েই নহয়, সংস্কাৰণটোৱে কেইন্সৰ তাৰল্য অগ্রাধিকাৰ তত্ত্বটোৰ বিকাশৰ আধাৰ হিচাপে কাম কৰিছে।

২.৩.৩ ফিছাৰীয় দৃষ্টিভংগী আৰু কেম্ব্রিজীয় দৃষ্টিভংগীৰ তুলনা

মুদ্রাৰ পৰিমাণ তত্ত্বৰ সৈতে জড়িত এই দুয়োটা দৃষ্টিভংগীৰ তুলনা কৰিবলৈ আমি দুয়োটাৰে সাদৃশ্য আৰু বৈসাদৃশ্যবোৰ বিবেচনা কৰি চাব লাগিব।

সাদৃশ্য ঃ

- যিহেতু V আৰু K পৰস্পৰ বিনিময়ে (reciprocal to each other) আৰু V-এ ব্যয়ৰ হাৰ তথা K এ মুদ্রা হাতত ৰখাৰ সময়সীমা সূচায়, সেয়েহে ফিছৰীয় সমীকৰণ P=MV/T আৰু ৰ'বার্টচনৰ সমীকৰণ P=M/KT একে।
- দুয়োটা দৃষ্টিভংগীৰে সামৰণি কম বেছি পৰিমাণে একে। দুয়োটা দৃষ্টিভংগীয়ে প্রতিপন্ন কৰিছে যে মুদ্রাৰ যোগান আৰু মুদ্রা মূল্যৰ মাজত বিপৰীত সম্পর্ক আছে।
- ফিছাৰৰ সমীকৰণৰ MV , ৰ'বার্টচন আৰু পিগ'ৰ সমীকৰণৰ M আৰু কেইন্সৰ সমীকৰণৰ N -এই আটাইকেইটাই মুদ্রাৰ সর্বমুঠ যোগানৰ কথা বুজায়।

বৈসাদৃশ্য ঃ

- ফিছাৰে মুদ্রাৰ যোগানৰ ওপৰত গুৰুত্ব দিছিল। আনহাতে, কেম্ব্রিজীয় দৃষ্টিভংগীয়ে নগদ ধনৰ ৰূপত মুদ্রা জমা ৰখাৰ চাহিদাৰ ওপৰত জোৰ দিয়ে।
- ফিছাৰীয় দৃষ্টিভংগীৰ আধাৰ হ'ল মুদ্রাৰ বিনিময় মাধ্যমৰূপী কার্য সম্পাদন প্রক্রিয়াটো। আনহাতে, কেম্ব্রিজীয় দৃষ্টিভংগীৰ আধাৰ হ'ল মানুহৰ মুদ্রা হাতত ৰাখিব খোজাৰ আগ্রহ।
- দুয়োটা দৃষ্টিভংগীয়ে একে পৰিঘটনা 'মুদ্রা'ৰ ওপৰত গুৰত্ব দিয়ে। ফিশ্বাৰীয় দৃষ্টিভংগীয়ে 'প্রবাহ বিন্দু' (flow point) ৰ দিশেৰে মুদ্রাৰ বর্ণনা কৰে। কেম্ব্রিজীয় দৃষ্টিভংগীয়ে সঞ্চয় বিন্দু (stock point) ৰ দিশেৰে মুদ্রাৰ বর্ণনা কৰে।
- ফিছাৰে বিতৰণৰ আদান-প্রদান দ্রুততা (transaction velocity of circulation) ৰ ওপৰত জোৰ দিছিল। কেম্ব্রিজীয় অর্থনীতিবিদসকলে মুদ্রা বিতৰণৰ

উপার্জন দ্রুততা (income velocity of circulation) ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

- দুয়োটা দৃষ্টিভংগীতে P-এ বেলেগ বেলেগ অর্থ বহন কৰে। ফিশ্বাৰীয় দৃষ্টিভংগীত P মানে হ'ল গড় মূল্য স্তৰ আৰু কেম্ব্রিজীয় দৃষ্টিভংগীত P মানে হ'ল বাৱহার্য সামগ্রীৰ মূল্য।
- ফিছাৰীয় দৃষ্টিভংগীটোৰ ব্যক্তিৰ মুদ্রা ব্যয় প্রক্রিয়াত জড়িত হৈ থকা আনুষ্ঠানিক তথা কাৰিকৰী কাৰকবোৰৰ সৈতে ঘনিষ্ঠ সম্পর্ক আছে। কিন্তু কেম্ব্রিজীয় অর্থনীতিবিদ সকল নগদ ধনৰ ৰূপত মানুহে জমা ৰাখিব খোজা সম্পদৰ পৰিমাণ নির্ধাৰণৰ দৰে অর্থনৈতিক কাৰকবোৰ অধ্যয়ন কৰাৰ প্রতিহে অধিক আগ্রহী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ কেম্ব্রিজীয় সংস্কাৰণত কোৱা মুদ্রাৰ বিনিময় চাহিদাটো কি? (প্রায় ৪০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

প্রশ্ন ৬ ঃ মুদ্রাৰ চাহিদাৰ নগদ ধনৰ লেন-দেন আৰু নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগী দুটাৰ মাজত থকা প্রভেদ কেইটামান ব্যাখ্যা কৰক। (প্রায় ৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুদ্রাৰ দুটা প্রধান কার্য- সম্পাদনৰ ওপৰত ভিত্তি কৰি মুদ্রাৰ চাহিদা ব্যাখ্যা কৰা দুটা পৃথক দৃষ্টিভংগী আছে। দৃষ্টিভংগী দুটা হ'ল-

  ➢বিনিময়ৰ মাধ্যমৰূপে মুদ্রা আৰু

➢মূল্যৰ সঞ্চয় ভাণ্ডাৰ ৰূপে মুদ্রা

- আমেৰিকাৰ চিন্তাধাৰা (American School) অনুসৰি মুদ্রাৰ বিনিময় প্রকার্যৰ মাধ্যমৰ ওপৰত এটা অর্থনীতিৰ মুদ্রা মূল্য নাইবা মূল্য স্তৰ নির্ভৰশীল।
- ফিছাৰৰ সমীকৰণটো হ'ল- MV=PT, ইয়াত মূল্য স্তৰৰ মুদ্রা যোগানৰ লগত পোনপটীয়াভাৱে তথা মুদ্রা মূল্যৰ সৈতে বিপৰীতভাৱে সম্পর্ক আছে। এই সংস্কৰণটোক মুদ্রাৰ পৰিমাণ তত্ত্বৰ নগদ ধনৰ লেনদেন সংস্কৰণ বুলি জনা যায়।
- কেম্ব্রিজীয় চিন্তাধাৰাই বিকশাই তোলা নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগীটো আমেৰিকান চিন্তাধাৰাতকৈ পৃথক।
- কেম্ব্রিজীয় অর্থনীতিবিদসকলৰ মতে মানুহৰ তাৰল্য অগ্রাধিকাৰৰ ভিত্তিত মুদ্রা চাহিদাৰ সৃষ্টি হয়। এই চিন্তাধাৰাই মূল্য ভাণ্ডাৰ হিচাপে মুদ্রাই সম্পন্ন কৰা প্রকার্যটোৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে।
- কেম্ব্রিজীয় চিন্তাধাৰাৰ নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগী আৰু ফিশ্বাৰৰ নগদ ধনৰ লেনদেন দৃষ্টিভংগীৰ মাজত বহুতো সাদৃশ্য আছে যদিও কেম্ব্রিজীয় দৃষ্টিভংগীটোক দুয়োটাৰে ভিতৰত উন্নত বুলি গণ্য কৰা হয়।



২.৫ অধিক জানিবৰ বাবে

ইংৰাজী গ্রন্থ ঃ

- Gupta, S. B. (2003). Monetary Economics – Institutions, Theory and Policy. New Delhi: S. Chand and Company Ltd.
- Mithani, D. M. (2002). *A Course in Macroeconomics.* Mumbai: Himalaya Publishing House.
- Paul, R. R. (2008). *Monetary Economics.* Ludhiana: Kalyani Publisher
- Seth, M. L. (2002). *Monetary Economics*. Agra: Lakshmi Narayan Agarwal.

অসমীয়া গ্রন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অর্থতত্ত্ব*। যোৰহাট ঃ ইউনিকা প্রকাশন।

২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সংস্থাপিক অর্থনীতিবিদসকলৰ মতে মানুহৰ প্রয়োজনীয়তা পূৰণ কৰিব পৰা

সামগ্রী আৰু সেৱা ক্রয় কৰিবলৈ মুদ্রা চাহিদাৰ সৃষ্টি হয়। ইয়াৰ অর্থ হ'ল অর্থনীতিত সামগ্রী তথা সেৱাৰ বিনিময় লেনদেন সম্পন্ন কৰাৰ বাবে মুদ্রা চাহিদাৰ সৃষ্টি হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ নগদ ধন লেনদেন দৃষ্টিভংগী অনুসৰি যিকোনো প্রদত্ত সময় এছোৱাত লেনদেন কৰা সকলো সামগ্রী তথা সেৱাৰ সর্বমুঠ মূল্য আৰু মুদ্রাৰ চাহিদা সমান। অর্থাৎ, এই তত্ত্বটোৰ মতে মুদ্রাৰ পৰিমাণে এটা অর্থনীতিত সামগ্রী তথা সেৱাৰ মূল্য স্তৰ নির্ধাৰণ কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ফিছাৰীয় বিনিময় সমীকৰণৰ দুটা গুৰুত্বপূর্ণ অনুমান হ'লঃ

(১) মূল্য স্তৰ এক নিষ্ক্রিয় উপাদান (passive element) আৰু

(২) বাণিজ্যৰ পৰিমাণ (volume of trade) হ'ল এক স্বতন্ত্র উপাদান আৰু ই হ্রস্ব কালত স্থিৰ হৈ ৰয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ বিপক্ষে থকা দুটা প্রধান সমালোচনা হ'ল- (ক) অর্থনীতিত সম্পূর্ণ কর্মসংস্থাপন (full employment)ৰ অনুমানটো অবাস্তৱ, (খ) ই মূল্য স্তৰ নির্ণয়ৰ প্রক্রিয়াটো ব্যাখ্যা নকৰে, ই চাহিদাৰ দিশটোক ধ্রুৱক বুলি ধৰি লৈ কেৱল যোগানৰ দিশটোহে আলোচনা কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ কেম্ব্রিজীয় অর্থনীতিবিদসকলৰ মতে মানুহৰ তাৰল্য অগ্রধিকাৰৰ পৰা মুদ্রাৰ লেনদেন চাহিদাৰ সৃষ্টি হয়। মানুহে দৈনন্দিন প্রয়োজনীয়তা পূৰাব পৰা সামগ্রী তথা সেৱা কিনিব পৰাকৈ হাতত নগদ ধন অথবা তৰল মুদ্রা ৰাখিবলৈ ইচ্ছা কৰে। ইয়াকে মুদ্রাৰ লেনদেন অভিপ্রায় বুলি জনা যায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ চাহিদাৰ নগদ ধনৰ লেন-দেন আৰু নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগী দুটাৰ মাজত থকা পার্থক্যবোৰ হ'ল—

(i) নগদ ধনৰ লেনদেন দৃষ্টিভংগীয়ে মুদ্রাৰ যোগানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগীয়ে নগদ ধনৰূপে মুদ্রা হাতত ৰখাৰ চাহিদাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

(ii) ফিছাৰে মুদ্রাক কেৱল এক বিনিময় মাধ্যম বুলি গণ্য কৰিছিল। আনহাতে, কেম্ব্রিজীয় দৃষ্টিভংগীয়ে মুদ্রাৰ মূল্য ভাণ্ডাৰ / সঞ্চয় ৰূপী দিশটোত অধিক গুৰুত্ব প্রদান কৰে।

(iii) ফিছাৰৰ দৃষ্টিভংগীত মুদ্রাৰ সমীকৰণক এক প্রবাহ বুলি ধৰা হয়। কেম্ব্রিজীয় দৃষ্টিভংগীত মুদ্রাক এক সঞ্চয় ধাৰণা বুলি গণ্য কৰা হয়।



২.৭ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ ফিছাৰৰ বিনিময়ৰ সমীকৰণটোৰ আধাৰ হিচাপে পৰিগণিত হোৱা গুৰুত্বপূর্ণ অনুমানবোৰ

উল্লেখ কৰক।

প্রশ্ন ২ ঃ সংস্থাপিক দৃষ্টিভংগীত মুদ্রা চাহিদা বুলিলে আপুনি কি বুজে?

প্রশ্ন ৩ ঃ মুদ্রাৰ পৰিমাণ তত্ত্ব লেনদেন তথা নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগীৰ মাজত থকা সাদৃশ্য দুটামান চিনাক্ত কৰক।

প্রশ্ন ৪ ঃ ফিছাৰৰ মুদ্রাৰ পৰিমাণ তত্ত্বটোক লৈ থকা গুৰুত্বপূর্ণ সমালোচনাবোৰ আলোচনা কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ মূল্য স্তৰ আৰু মুদ্রাৰ মূল্য নির্ণয়ত ফিছাৰৰ সমীকৰণটোৰ প্রয়োগ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ সৈতে জড়িত আমেৰিকান চিন্তাধাৰা আৰু কেম্ব্রিজীয় চিন্তাধাৰাৰ মাজৰ পার্থক্যবোৰ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰ নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগীটোৰ এক সমালোচনাত্মক ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৪ ঃ মুদ্রাৰ পৰিমাণ তত্ত্বৰৰ সৈতে জড়িত নগদ ধনৰ লেনদেন দৃষ্টিভংগীটোতকৈ নগদ ধনৰ ভাৰসাম্য দৃষ্টিভংগীটোক কিয় উন্নত বুলি গণ্য কৰা হয় ব্যাখ্যা দাঙি ধৰক।

** ***** **